## সাব্যস্ত কৰিবলৈ নিজৰ পছন্দ, উত্থাপন হৈছে নাৰীকণ্ঠ

## মহিলা আৰু ছোৱালীৰ বিৰুদ্ধে হোৱা লিংগ-ভিত্তিক নিৰ্যাতনৰ অন্ত পেলোৱাৰ বাবে

## ১৬ দিনীয়া সক্ৰিয় অভিযানত একেলগে যোগ দিয়ক

**(২৫ নৱেম্বৰ – ১০ ডিচেম্বৰ)**

মহিলা আৰু ছোৱালীৰ বিৰুদ্ধে হোৱা যৌন নিৰ্যাতন সমগ্ৰ বিশ্বতে এক চিন্তাৰ বিষয়। ৰাজহুৱা আৰু ব্যক্তিগত স্থানত মহিলাসকল সুৰক্ষিত হৈ থকা নাই। কৰ্মস্থান বা ৰাজহুৱা ক্ষেত্ৰসমূহে মহিলাক দুৰ্ব্যৱহাৰ আৰু অধিকাৰ লংঘনৰ সহজ লক্ষ্য কৰি লৈছে। লিংগ-ভিত্তিক নিৰ্যাতন কোনো সাধাৰণ নিৰ্যাতন নহয়, য'ত মহিলা আৰু ছোৱালীসকল ঘটনাক্ৰমেহে ভুক্তভোগী হ'বলগীয়া হয়। সমাজত থকা লিংগ-ভিত্তিক স্থিতিয়েই তেওঁলোকক নিৰ্যাতনৰ বলি কৰে। পিতৃতন্ত্ৰৰ লিংগভিত্তিক ক্ষমতাৰ কাঠামোৰ ভিতৰত এই লিংগ-ভিত্তিক নিৰ্যাতন সংঘটিত হয়।

অসমৰ মহিলাসকলে পাৰিবাৰিক নিৰ্যাতনকে আদি কৰি, এচিড আক্ৰমণ, চাইবাৰ অপৰাধ, মানৱ সৰবৰাহ, ডাইনী হত্যা, অপহৰণ, যৌন নিৰ্যাতন আৰু অন্যান্য বিভিন্ন প্ৰকাৰৰ নিৰ্যাতনৰ সন্মুখীন হয়। ৰাষ্ট্ৰীয় অপৰাধ তথ্য বিভাগ (National Crime Records Bureau)ৰ ২০২১ চনৰ শেহতীয়া পৰিসংখ্যা অনুসৰি মহিলাৰ বিৰুদ্ধে হোৱা নিৰ্যাতনৰ হাৰৰ ক্ষেত্ৰত ভাৰতৰ ভিতৰতে একেৰাহে পঞ্চম বৰ্ষৰ বাবে শীৰ্ষস্থানত থকা ৰাজ্যখনেই হৈছে অসম। এয়া সমাপ্ত কৰিবই লাগিব। আমি ঘৰ বা পৰিয়ালত নিৰ্যাতন বন্ধ হোৱাটো নিশ্চিত কৰিব লাগিব যাতে মহিলাসকলে এনে দুৰ্ব্যৱহাৰ সহ্য কৰি থাকিবলগীয়া নহয় আৰু আনুষ্ঠানিক সংস্থাত গৈ গোচৰ তৰিবলগীয়া নহয়। নিৰ্যাতন পৰ্যায়ক্ৰমে বৃদ্ধি কৰা চাপ-বিন্দুসমূহ যেনে— একপক্ষীয় লিংগ-ভিত্তিক ৰীতি-নীতি আৰু নিয়মবোৰ চিনাক্ত কৰিবৰ বাবে মনোভাৱৰ পৰিৱৰ্তন আৱশ্যকীয়।

আমি ৰাইজৰ অনুষ্ঠান, গণমাধ্যম, শৈক্ষিক প্ৰতিষ্ঠান আৰু চৰকাৰী বিভাগসমূহক আহ্বান জনাওঁ যাতে তেওঁলোকে একত্ৰিত হৈ মহিলাৰ বিৰুদ্ধে হোৱা সকলো প্ৰকাৰৰ নিৰ্যাতন নিৰ্মূল কৰাৰ এই ১৬ দিনীয়া অভিযানৰ বাবে নৰ্থ ইষ্ট নেটৱৰ্ক (নেন)ৰ লগত জড়িত শতাধিক তৃণমূল মহিলাৰ লগত যোগদান কৰে। এই অভিযান হৈছে ৰাজহুৱা দায়িত্ববোধ আৰু চৰকাৰী দায়বদ্ধতা একত্ৰিত কৰি মহিলাৰ বাবে সুৰক্ষিত স্থান নিশ্চিত কৰিবলৈ সকলোলৈকে কৰা এক উদাত্ত আহ্বান।

এই অভিযানৰ ভিতৰত সোমাই আছে কেইবাটাও তাৎপৰ্যপূৰ্ণ দিৱস। দিৱসবোৰে বহন কৰা বাৰ্তাসমূহ অতি স্পষ্ট। ইয়াৰ দ্বাৰা স্বীকৃত হয় যে লিংগ-ভিত্তিক নিৰ্যাতন হৈছে মহিলাৰ মানৱ অধিকাৰৰ উলংঘন। তদুপৰি বিভিন্ন লিংগ আৰু যৌন পৰিচয়ৰ মহিলা, বাধাগ্ৰস্ত অথবা এইড্‌চ আক্ৰান্ত মহিলাসকল দুগুণে শোষিত আৰু নিৰ্যাতিত হয়।

এই অভিযানে দক্ষিণ এচিয়াৰ সকলো দেশৰে মহিলাসকলৰ প্ৰচেষ্টাক স্বীকৃতি প্ৰদান কৰে, বিশেষকৈ সেইসকলৰ যিয়ে শান্তি প্ৰতিষ্ঠাৰ কাৰণে মহিলাৰ অধিকাৰক উচ্চ স্থান দি আহিছে। ই সেইসকল পুৰুষৰ প্ৰচেষ্টাৰ শলাগ লয় যিসকল পুৰুষ মহিলাৰ বিৰুদ্ধে হোৱা লিংগ-ভিত্তিক নিৰ্যাতন ৰোধ কৰিবৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

**১৬ দিনীয়া এই আন্তঃৰাষ্ট্ৰীয় প্ৰচাৰ অভিযানে সকলোৰে বাবে মানৱাধিকাৰৰ পোষকতা কৰা অন্যান্য তাৎপৰ্যপূৰ্ণ দিৱসসমূহ হ'ল**

| | |
|---|---|
| **২৫ নৱেম্বৰ** | আন্তৰ্জাতিক নাৰী নিৰ্যাতন নিৰ্মূল দিৱস / যৌতুক বিৰোধী দিৱস |
| **২৯ নৱেম্বৰ** | আন্তৰ্জাতিক মহিলা মানৱাধিকাৰ সুৰক্ষাকৰ্মীৰ দিৱস |
| **৩০ নৱেম্বৰ** | শান্তি, ন্যায়, মানৱাধিকাৰ আৰু গণতন্ত্ৰৰ বাবে দক্ষিণ এছীয় নাৰী দিৱস |
| **১ ডিচেম্বৰ** | বিশ্ব এইড্‌চ দিৱস |
| **২ ডিচেম্বৰ** | আন্তৰ্জাতিক দাসত্ব নিৰ্মূল দিৱস, ৰাষ্ট্ৰীয় প্ৰদূষণ প্ৰতিৰোধ দিৱস |
| **৩ ডিচেম্বৰ** | আন্তঃৰাষ্ট্ৰীয় প্ৰতিবন্ধী দিৱস আৰু ভুপাল গেছ দুৰ্ঘটনাৰ স্মৰণ দিৱস |
| **৬ ডিচেম্বৰ** | মন্ট্ৰিয়েলৰ নৰসংহাৰৰ বাৰ্ষিকী |
| **৯ ডিচেম্বৰ** | আন্তৰ্জাতিক গণহত্যা প্ৰতিৰোধ দিৱস, দুৰ্নীতি বিৰোধী দিৱস |
| **১০ ডিচেম্বৰ** | মানৱাধিকাৰ দিৱস |

অসমৰ ১৮০ খন গাঁৱৰপৰা নেনৰ মহিলাসকলে একেলগে কণ্ঠ উত্থাপন কৰি চৰকাৰক মহিলাৰ বাবে এখন ৰাজ্যিক নীতি গ্ৰহণৰ বাবে আবেদন জনাইছে, যিখনে ঘৰখনৰপৰা পথলৈকে, বিদ্যালয়ৰপৰা বজাৰলৈকে মহিলাৰ সুৰক্ষাৰ ওপৰত গুৰুত্ব দিব লাগিব। আমাৰ দাবী— সকলো সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াতেই মহিলাৰ অংশগ্ৰহণ আৰু মতামতে প্ৰাধান্য পাব লাগিব আৰু ছোৱালীসকলৰ নেতৃত্বৰ ভৱিষ্যত প্ৰজন্মক স্বীকৃতি দিব তথা উদ্‌যাপন কৰিব লাগিব।

প্ৰতিৰোধ গঢ়ি তোলক! আন্দোলনৰ সৃষ্টি কৰক! পৰিৱৰ্তন আনক!

মহিলাৰ বাবে সুৰক্ষিত স্থান নিশ্চিত কৰক!

ওদালগুৰি, দৰং, কামৰূপ, গোলাঘাট, ধেমাজি আৰু শোণিতপুৰত নেনৰ অভিযানত যোগ দিয়ক।


–অধিক তথ্যৰ বাবে নৰ্থ ইষ্ট নেটৱৰ্কৰ সৈতে যোগাযোগ কৰক

ফোন- ৯৪৩৫০-১৭৮২৪, ই মেইল- assam@northeastnetwork.org

**Women Raise Voice To assert their Choice**

## Unite to join the 16 Days Activism to

**end all forms of gender-based violence against women and girls**

**November 25 - December 10**

Gender-based violence (GVB) against women and girls worldwide has always been a concern. Public and private spaces have not been safe for women; homes, workplace or public places have rendered women vulnerable to different forms of abuse and rights violations. GBV is not random violence where victims happen to be women and girls. The risk factor lies in their gendered position in the society. GBV occurs within a gendered power framework of patriarchy.

Women in Assam face different forms of violence ranging from domestic violence, acid attack, cybercrimes, trafficking, witch hunting, kidnapping, sexual violence among others. Assam has become the state with the highest rate of crime against women in India for the 5th consecutive year, according to the latest National Crime Records Bureau (NCRB) figures of 2021. This must stop now. We must ensure that violence is prevented at household level so that women don't have to face abuse and report to formal agencies. Attitudinal shifts are necessary to recognize the pressure points such as gender biased customs and norms which promotes such violence.

We urge upon civil society, media, educational institutions and government agencies to unite and join the voices of hundreds of grassroots women engaged with North East Network in the 16 Days Campaign to end all forms of violence against women. The Campaign is a clarion call for all to unite public responsibility and state accountability to ensure safe spaces for women.

This Campaign encompasses several significant days. The messages of these Days are very clear. It recognizes that GBV is a human rights violation of women. There is growing awareness that women of different gender and sexual identities, those living with a disability or AIDs are doubly disadvantaged. This Campaign recognizes efforts of women of all countries across South Asia more especially of those who have upheld rights of women towards promotion of peace. It appreciates the efforts of men who remain committed to mitigate gender based violence on women.

This International Campaign encompasses several other significant days which upholds human rights of all.

| | | |
|---|---|---|
| 25th November | : | International Day for the Elimination of Violence against Women/Anti-Dowry Day |
| 29th November | : | International Women Human Rights Defenders Day |
| 30th November | : | South Asian Women's Day for Peace, Justice, Human Rights and Democracy |
| 1st December | : | World AIDS Day |
| 2nd December | : | International Day for the Abolition of Slavery/National Pollution Prevention Day |
| 3rd December | : | International Day for Persons with Disabilities and The Commemoration of the Bhopal Gas Tragedy |
| 6th December | : | The Anniversary of Montreal Massacre |
| 9th December | : | International Day of Commemoration and Dignity of the Victims, of the Crime of Genocide and of the Prevention of this Crime |
| 10th December | : | Human Rights Day/International Anti-Corruption Day |

The women of NEN from 180 villages of Assam are raising their voices together to appeal to the government to have a state policy for women which must focus on women's safety from homes to streets, from schools to markets. They are amplifying their voices to say that the agency of women must be at the center stage of all decision making process and that future generation of leadership of girls must be recognized and celebrated!

Build Activism! Create a Movement!! Be the Change Maker!
Ensure safe spaces for women!

*Join NEN's Campaign at Udalguri, Darrang, Kamrup, Golaghat, Dhemaji and Sonitpur !*

**For more information contact**
North East Network at 94350 17824, assam@northeastnetwork.org